- উত্থান
- সহবৰণ কৰণ
- আমোলতান্ত্রিক কৰণ আৰু
- পতন

৩ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলনসমূহ অধ্যয়ন কৰাটো এইকাৰণে প্রয়োজনীয় কাৰণ ই জনসাধাৰণক অংশগ্রহণৰ আৰু নিজস্ব ভাৱধাৰা প্রকাশ কৰি সামাজিক পৰিবর্তনৰ প্রক্রিয়াটোত সক্রিয় ভূমিকা পালন কৰাৰ সুযোগ দিয়ে। সামাজিক আন্দোলনে নির্দিষ্ট পৰিকল্পনা তথা আঁচনি হাতত লৈ সংঘবদ্ধ হোৱা গোটৰ উত্থানতো উদ্গনি যোগায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ এটা সংগঠন গঠনৰ বাবে প্রয়োজনীয় গুৰুত্বপূর্ণ উপাদান দুটা হ'ল ঃ গাঁথনি আৰু নেতৃত্ব।

৫ নং প্রশ্নৰ উত্তৰ ঃ এল জি বি টিৰ সম্পূর্ণ ৰূপটো হ'ল— লেছবিয়ান (সমকামী নাৰী), গে (সমকামী পুৰুষ), বাইছেক্সুৱেল (উভয়লিংগীয়) আৰু ট্রেন্ছজেণ্ডাৰ (সমকামী)।

৬ নং প্রশ্নৰ উত্তৰ ঃ গাঁথনিক পৰিবর্তনৰ তিনিটা স্তৰ হ'ল— সংস্কাৰ, ৰূপান্তৰণ আৰু বিপ্লৱ।

৭ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলন আৰু সামাজিক পৰিবর্তনৰ মাজত থকা পার্থক্যসমূহ হ'ল—

সামাজিক আন্দোলন ঃ

১। সামাজিক আন্দোলন হ'ল এখন সমাজ অথবা বর্তি থকা গোট এটাৰ পৰিবর্তন সাধিবলৈ অথবা ৰোধ কৰিবলৈ হাতত লোৱা উমৈহতীয়া কার্য-কলাপৰ সমষ্টি।

২। সামাজিক আন্দোলনৰ কার্য-কলাপসমূহ সলনি হৈ থাকে আৰু সমাজৰ নির্দিষ্ট কিছুমান দিশত ইয়াৰ প্রভাৱ পৰিলক্ষিত হয়।

সামাজিক পৰিবর্তন ঃ

১। সামাজিক পৰিবর্তনে সমাজৰ শৃংখলতাৰ পৰিবর্তন অনাটো বুজায়। ই সামাজিক অনুষ্ঠান অথবা সামাজিক সম্পর্কৰ পৰিবর্তনো সাঙুৰি লয়।

২। সামাজিক পৰিবর্তন এক নিৰৱচ্ছিন্ন প্রক্রিয়া আৰু সমাজৰ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক সকলো দিশতে ইয়াৰ প্রভাৱ পৰে।



১.১০ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কেৰালাৰ এঝাৰা সম্প্রদায়ৰ সামাজিক প্রথাৰ সংস্কাৰৰ হকে কোনে কাম কৰিছিল?

প্রশ্ন ২ ঃ নাৰী আন্দোলন বুলিলে কি বুজে? উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ সামাজিক আন্দোলনৰ পতনৰ বিভিন্ন ধৰণসমূহ কোনে উল্লেখ কৰিছিল?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক আন্দোলনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ সামাজিক আন্দোলন স্তিমিত হোৱা (declination) কাৰণসমূহ দৰ্শাওক।

*** ***** ***